समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

নৱম শ্ৰেণীৰ পাঠ্যপুথি

ভূগোল

পাঠ - ৩

ভাৰতবৰ্ষৰ ভূগোল

অংশ – ৮

শ্ৰাৱণী দেৱী

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৩। ভাৰতৰ বৰষুণৰ বিতৰণ সম্পৰ্কে এটি আভাস দিয়া।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ভাৰতৰ দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ বাবেই দেশখনত অধিক বৰষুণ হয় । কিন্তু এই বৰষুণৰ বিতৰণ ভাৰতৰ সকলো ঠাইতে সমান নহয়।

(ক) উত্তৰ-পূৰ্বাঞ্চলৰ হিমালয়ৰ নামনি অংশ , মেঘালয় মালভূমিৰ দক্ষিণাংশ আৰু পশ্চিম ঘাট পৰ্বতৰ পশ্চিম ঢালত বাৰ্ষিক গড়ে ৩০০ চেণ্টিমিটাৰৰো অধিক হয় ।

(খ) অৰুণাচল প্ৰদেশৰ বহিঃ হিমালয়ৰ অঞ্চলত বাৰ্ষিক গড়ে ৪০০ চেণ্টিমিটাৰতকৈ বেছি বৰষুণ হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(গ) ৰাজস্থানৰ থৰ মৰুভূমি আৰু ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলত বছৰি গড়ে ৫০ চেণ্টিমিটাৰৰো কম বৰষুণ হয় । ইয়াৰ থৰ মৰুভূমিৰ কোনো ঠাইত বৰষুণ বার্ষিক গড়ে ২০ চেণ্টিমিটাৰৰো কম হয় ।

(ঘ) দাক্ষিণাত্য মালভূমিৰ উত্তৰ আৰু পশ্চিম অংশ আৰু গুজৰাট অঞ্চলত বছৰি গড়ে ৫০ চেণ্টিমিটাৰৰ পৰা ১০০ চেণ্টিমিটাৰৰ ভিতৰত বৰষুণ হয় ।

(ঙ) ব্ৰহ্মপুত্ৰ সমভূমিকে ধৰি উত্তৰ ভাৰতৰ সমভূমি অঞ্চলত বৰষুণ মধ্যমীয়া । বার্ষিক গড়ে ১০০ – ২০০ চেণ্টিমিটা পর্যন্ত বৰষুণ হয় ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৪। ভাৰতৰ উদ্ভিদসমূহক কেইভাগত ভগোৱা হৈছে লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ভাৰতৰ উদ্ভিদসমূহক ছয় ভাগত ভগোৱা হৈছে –

(ক) চিৰসেউজীয়া উদ্ভিদ ।
(খ) মৌচুমীয় উদ্ভিদ ।
(গ) কাঁইটীয়া মৰু উদ্ভিদ ।
(ঘ) তৃণজাতীয় উদ্ভিদ ।
(ঙ) ব-দ্বীপীয় উদ্ভিদ ।
(চ) পার্বত্য উদ্ভিদ ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৫। ভাৰতৰ চিৰসেউজীয়া উদ্ভিদৰ বৈশিষ্ট্য কি?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- চিৰসেউজীয়া উদ্ভিদৰ বৈশিষ্টসমূহ হ'ল-

ক) যি অঞ্চলত বার্ষিক বৰষুণৰ পৰিমাণ ২০০ চেণ্টিমিটাৰতকৈ অধিক আৰু বার্ষিক গড় উত্তাপ ২৫° চেণ্টিগ্ৰেডৰ পৰা ২৭° চেণ্টিগ্ৰেড হয়, তেনে অঞ্চলত চিৰসেউজীয়া উদ্ভিদ দেখা যায়।

খ) ইয়াৰ গছবিলাক ৪৫ মিটাৰ পর্যন্ত ওখ হয়। ওখ গছ-গছনিৰ বাহিৰে বেত, বাঁহ, ঢেঁকীয়া আৰু লতাজাতীয়, চাপৰ উদ্ভিদো দেখা যায়। বছৰৰ কোনো ঋতুতে এই বিলাকৰ পাত নসৰে। সেয়েহে ইহঁতক চিৰসেউজীয়া উদ্ভিদ বোলে।

গ) চিৰসেউজীয়া বননিৰ গছ-গছনিবোৰে ডাঠ অৰণ্যৰ সৃষ্টি কৰে। এই অৰণ্যত শিশু, চন্দন, ৰবৰ আদি ভালেমান মূল্যৱান গছ পোৱা যায়। পশ্চিমঘাট পৰ্বতৰ পশ্চিম ঢাল, অৰুণাচল হিমালয়ৰ নামনিভাগ, উজনি অসম, মণিপুৰ আৰু মিজোৰামৰ পাৰ্বত্য অঞ্চল আৰু আন্দামান-নিকোবৰ দ্বীপপুঞ্জত এনে চিৰসেউজীয়া অৰণ্য দেখা যায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৬। ভাৰতৰ পাৰ্বত্য উদ্ভিদৰ বৈশিষ্ট্য লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ভাৰতৰ পার্বত্য উদ্ভিদৰ বৈশিষ্ট্যসমূহ হ'ল–

(ক) উদ্ভিদৰ প্রকাৰ আৰু বিতৰণত উচ্চতাৰ যথেষ্ট প্রভাৱ আছে। কিয়নো উচ্চতা আৰু পর্বত পাহাৰৰ ঢাল অনুসৰি বৰষুণ, উত্তাপ আৰু মাটিৰ গুণাগুণৰ তাৰতম্য ঘটে। সেইবাবে পার্বত্য অঞ্চলৰ বিভিন্ন উচ্চতাত বেলেগ বেলেগ ধৰণৰ উদ্ভিদ দেখা যায়। বহিঃহিমালয়ৰ শিৱালিক পর্বতকে ধৰি গড়ে ১,০০০ মিটাৰ উচ্চতাৰ চাপৰ পর্বতমালা ডাঠ মৌচুমীয় অৰণ্যৰে আবৃত। ইয়াত শাল গছকে ধৰি ভালেমান মূল্যবান গছ আছে। এই অঞ্চলত বাঁহজাতীয় উদ্ভিদ বেছিকৈ পোৱা যায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

খ) ইয়াৰ ঠিক ওপৰৰ ১,০০০ মিটাৰৰ পৰা ২,০০০ মিটাৰ উচ্চতাৰ পার্বত্য অঞ্চলত বহল পাতৰ ওক আৰু সৰলজাতীয় চিৰসেউজীয়া উদ্ভিদ পোৱা যায় । ইয়াৰ উপৰিও ১,৬০০ মিটাৰৰ পৰা ৩,০০০ মিটাৰ উচ্চতাত সৰল গছ বেছিকৈ দেখা যায় ।

গ) কাশ্মীৰ , হিমাচল প্রদেশ , উত্তৰাঞ্চল , দার্জিলিং আৰু ছিকিম হিমালয় অঞ্চলত দেৱদাৰুকে ধৰি বিভিন্ন প্রজাতিৰ সৰল গছৰ অৰণ্য আছে । ইয়াতকৈ অধিক উচ্চতাৰ পার্বত্য অঞ্চলত আল্পীয় উদ্ভিদ দেখা যায় ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৭। ভাৰতৰ বৰ্তমান জনসংখ্যা কিমান? ইয়াৰ ঘনত্ব কিমান?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতৰ বৰ্তমান জনসংখ্যা হৈছে ১২১, ০৭, ২৬, ৯৩২ জন। ২০১১ চনৰ লোকপিয়ল মতে প্ৰতি বৰ্গকিলোমিটাৰত ভাৰতৰ জনসংখ্যাৰ ঘনত্ব ৩৮২ জন।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৮। জনপ্ৰব্ৰজন কেইপ্ৰকাৰ আৰু কি কি?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- মানুহে স্থায়ী বা অস্থায়ীভাৱে বাসস্থান সলাই এঠাইৰ পৰা আন এঠাইলৈ গমন কৰাকে জনপ্ৰব্ৰজন বোলা হয়। জনপ্ৰব্ৰজন দুই প্ৰকাৰৰ – (১) আভ্যন্তৰীণ প্ৰব্ৰজন, আৰু (২) বাহ্যিক প্ৰব্ৰজন

(১) আভ্যন্তৰীণ প্ৰব্ৰজন :- দেশৰ ভিতৰতে হোৱা প্ৰব্ৰজনক আভ্যন্তৰীণ প্ৰব্ৰজন বুলি কোৱা হয়। আভ্যন্তৰীণ প্ৰব্ৰজন দুই প্ৰকাৰৰ – (i) আন্তঃৰাজ্যিক প্ৰব্ৰজন, (ii) ৰাজ্যৰ আভ্যন্তৰীণ প্ৰব্ৰজন।

(i) আন্তঃৰাজ্যিক প্ৰব্ৰজন :- আন্তঃৰাজ্যিক প্ৰব্ৰজন দেশখনৰ ৰাজ্যবিলাকৰ মাজত হয়।

(ii) ৰাজ্যৰ আভ্যন্তৰীণ প্ৰব্ৰজন : – ৰাজ্যৰ আভ্যন্তৰীণ প্ৰব্ৰজন কোনো ৰাজ্যৰ ভিতৰতে জিলাসমূহ বা অঞ্চলসমূহৰ মাজত সংঘটিত হয়। এই দুই প্ৰকাৰৰ প্ৰব্ৰজনৰ ক্ষেত্ৰত চাৰিটা সোত চিনাক্ত কৰা হৈছে। যেনে –
(ক) গাঁৱৰ পৰা গাঁৱলৈ (খ) গাৱঁৰ পৰা চহৰলৈ (গ) চহৰৰ পৰা গাঁৱলৈ (ঘ) চহৰৰ পৰা চহৰলৈ হোৱা প্ৰব্ৰজন।

(২) বাহ্যিক প্ৰব্ৰজন : – ভাৰতবৰ্ষ আৰু অন্য দেশবিলাকৰ মাজত হোৱা জনপ্ৰব্ৰজনক বাহ্যিক প্ৰব্ৰজন বোলে। এই প্ৰকাৰৰ প্ৰব্ৰজনক আন্তঃৰাষ্ট্ৰীয় প্ৰব্ৰজন বুলিও জনা যায়।

যেনে – ভাৰতবর্ষ আৰু ইয়াৰ চুবুৰীয়া দেশসমূহৰ মাজত হোৱা প্রব্রজনক বাহ্যিক বা আন্তঃৰাষ্ট্রীয় প্রব্রজন বুলি কোৱা হয়।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৯। জনপ্ৰব্ৰজনৰ ফলত ভাৰতত কেনে প্ৰভাৱ পৰিছে?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- প্ৰব্ৰজনৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী । প্ৰব্ৰজন বিশেষকৈ আন্তঃৰাষ্ট্ৰীয় প্ৰব্ৰজন ভাৰতবৰ্ষৰ এটা অন্যতম প্ৰধান সমস্যাৰূপে পৰিগণিত হৈছে । প্ৰব্ৰজনৰ ফলত দেশৰ সামাজিক, অৰ্থনৈতিক, পৰিৱেশিক আৰু ৰাজনৈতিক ক্ষেত্ৰসমূহলৈ কিছুমান তাৎপৰ্যপূৰ্ণ পৰিৱৰ্তন আহিছে । প্ৰব্ৰজনৰ কেইটামান বিশেষ প্ৰভাৱ হ'ল –

(ক) প্ৰব্ৰজনৰ ফলত দেশৰ জাতি, ধৰ্ম আৰু ভাষাৰ ভিন্নতা বাঢ়িছে আৰু ফলত বাৰেবৰণীয়া সংস্কৃতি গঢ় লৈ উঠিছে ।

(খ) প্ৰব্ৰজনৰ ফলত দেশৰ অৰ্থনৈতিক খণ্ডৰ পৰিৱৰ্তন হৈছে আৰু বেপাৰ-বাণিজ্য প্ৰসাৰ ঘটিছে ।

(গ) প্ৰব্ৰজনে দেশৰ তথা ইয়াৰ বিভিন্ন অঞ্চলৰ জনগাথঁনি সলনি কৰিছে । প্ৰব্ৰজনৰ ফলত জনসংখ্যা বৃদ্ধি, ঘনত্ব, শিক্ষিতৰ হাৰ সলনি হৈছে । কোনো কোনো অঞ্চলত প্ৰব্ৰজনকাৰীৰ সংখ্যা, ভূমিপুত্ৰ সকলৰ সংখ্যাতকৈ অধিক হোৱাৰ ফলত ভাষা, ধৰ্ম, সংস্কৃতি আৰু অৰ্থনীতিৰ ক্ষেত্ৰত সমস্যাৰ উদ্ভৱ হৈছে।

(ঘ) প্ৰব্ৰজনে প্ৰত্যক্ষভাৱে দেশৰ জনসংখ্যা বৃদ্ধিত অৰিহণা যোগাই আহিছে । জনসংখ্যা বৃদ্ধিৰ ফলত দেশত নানা সমস্যাৰ সৃষ্টি হৈছে ।

দেশৰ ভূমিসম্পদৰ ওপৰত অত্যধিক হেঁচা পৰিছে, অৰণ্য আৰু আৰ্দ্ৰ ভূমিৰ পৰিৱেশতন্ত্ৰ বিঘ্নিত হৈছে আৰু নিয়োগৰ সমস্যাৰ লগতে স্বাস্থ্য আৰু শিক্ষা খণ্ডতো সমস্যাৰ সৃষ্টি হৈছে।

(ঙ) প্ৰব্ৰজনৰ ফলত কেতিয়াবা উদ্ভৱ হোৱা ধৰ্মীয় আৰু সামাজিক সংঘাতে সামাজিক আৰু ৰাজনৈতিক সমস্যাৰ সৃষ্টি কৰিব পাৰে।

(চ) প্ৰব্ৰজনকাৰীসকলে নতুন ঠাই আৰু সমাজত কেতিয়াবা মিলি যাব নোৱাৰি মানসিক চাপত ভোগে।

(ছ) প্ৰব্ৰজনৰ ফলত বিশেষকৈ নগৰ অঞ্চলত কিছুমান বস্তি অঞ্চল গঢ়ি উঠিছে।

এনে বস্তি অঞ্চলসমূহত অস্বাস্থ্যকৰ পৰিৱেশ বিৰাজ কৰাৰ ফলত নগৰীয়া পৰিৱেশ প্ৰদূষিত হৈ পৰিছে।

(জ) প্ৰব্ৰজনৰ ফলত দেশখনৰ বা ৰাজ্যসমূহৰ ৰাজনৈতিক পৰিস্থিতিৰ পট পৰিৱৰ্তন হোৱাৰ উপক্ৰম হৈছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২০। ভাৰতৰ অৰ্থনীতিৰ মূল বৈশিষ্ট্যসমূহ লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ভাৰতৰ অৰ্থনীতিৰ মূল বৈশিষ্ট্যসমূহ হ'ল – (ক) নিম্ন জনমুৰি আয় , (খ) জনমুৰি আয়ৰ মন্থৰ বৃদ্ধি , (গ) অত্যাধিক জনসংখ্যাৰ চাপ , (ঘ) দৰিদ্রতা (ঙ) কৃষি – নির্ভৰশীলতা , (চ) বর্ধিত নিবনুৱা সমস্যা আৰু (ছ) পৰিকল্পনা ভিত্তিক উন্নয়ন ।

(ক) নিম্ন জনমুৰি আয় : মুঠ জাতীয় আয়ক মুঠ জনসংখ্যাৰে ভাগ কৰি জনমূৰি আয় নির্ধাৰণ কৰা হয় । কোনো ব্যক্তিৰ জীৱন নির্বাহৰ মানদণ্ডৰ প্রধান সূচক হৈছে তেওঁৰ আয় । কোনো এটা বছৰৰ জনমূৰি আয় মানে হৈছে এজন ব্যক্তিয়ে গড় হিচাপে বছৰি লাভ কৰা আয়ৰ পৰিমাণ ।

২০০৪ – ০৫ বৰ্ষত ভাৰতৰ জনমুৰি আয় আছিল ২৪,১৪৩ টকা। কিন্তু বৰ্তমান সময়ত এজন ব্যক্তিৰ অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ ক্ষেত্ৰত হোৱা খৰচৰ তুলনাত এই পৰিমাণৰ জনমুৰি আয় তেনেই কম হয়। সেয়েহে এনে পৰিস্থিতিত সাধাৰণ জনগণে অতি কষ্টৰে জীৱন নিৰ্বাহ কৰিব লগা হৈছে ।

(খ)জনমুৰি আয়ৰ মন্থৰ বৃদ্ধি : প্ৰতি বছৰে জনমুৰি আয় বৃদ্ধি হৈ আছে যদিওঁ এই বৃদ্ধিৰ হাৰ সামান্য । দেশখনৰ জনসংখ্যা বৃদ্ধি অনুপাতে জাতীয় আয় বৃদ্ধি হোৱা নাই।

(গ) অত্যধিক জনসংখ্যাৰ চাপ : ভাৰতীয় অর্থনৈতিক অত্যধিক জনসংখ্যাৰ দ্বাৰা ভৰপূৰ । স্বাধীনতাৰ সময়ত ১৯৮৭ চনত ভাৰতৰ জনসংখ্যা আছিল ৩৫০ নিযুত । ২০১১ চনত এই জনসংখ্যা ১,২১০ নিযুতলৈ বৃদ্ধি হয় ।

জনসংখ্যাৰ হিচাপত চীন দেশৰ পিছতে বিশ্বত দ্বিতীয় স্থান অধিকাৰ কৰা ভাৰতবর্ষই অভাৱনীয় জনসংখ্যাৰ বৃদ্ধিৰ বাবে অন্ন , বস্ত্র আৰু বাসস্থানৰ সমস্যাৰ লগতে নিবনুৱাকে ধৰি অনেক সমস্যাই দেখা দিয়ে । ভাৰতৰ জনসংখ্যাৰ দ্রুত বৃদ্ধিয়ে দেশখনৰ অর্থনীতিত বিৰূপ প্রভাৱ পেলাইছে ।

(ঘ) দৰিদ্রতা : ভাৰতীয় অৰ্থনীতিৰ আন এক বিশেষ বৈশিষ্ট্য হৈছে দৰিদ্রতা । পৃথিৱীৰ মুঠ দৰিদ্রলোকৰ এক – তৃতীয়াংশ ভাৰতত বাস কৰে । অন্ন , বস্ত্র আৰু বাসস্থানৰ অভাৱত ভাৰতৰ গাঁও আৰু চহৰ অঞ্চলত বহুতো লোকে কষ্টকৰ জীৱন কটাইছে ।
২০১১ চনৰ লোকপিয়ল তথ্য অনুসৰি ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ ২৭.৫ শতাংশ লোক দৰিদ্র অৰ্থাৎ দেশখনত ৩০ কোটিৰো অধিক দৰিদ্র লোকে বাস কৰে ।
(ঙ) কৃষি – নির্ভৰশীলতা :- কৃষি নির্ভৰশীলতা ভাৰতীয় অৰ্থনীতিৰ আন এক বৈশিষ্ট্য ।

জীৱন নির্বাহৰ বাবে দেশৰ জনসাধাৰণে কৃষি, শিল্প, ব্যৱসায়, চাকৰি আদিৰ দৰে কৰ্মত আত্মনিয়োগ কৰে। পৰম্পৰাগতভাৱে দেশৰ বেছিসংখ্যক লোকেই কৃষি কাৰ্যৰ লগত জড়িত আৰু সেয়েহ ভাৰতৰ অৰ্থনীতি প্ৰধানকৈ কৃষি নির্ভৰশীল।

জনসাধাৰনে কৃষি, শিল্প, ব্যৱসায়, চাকৰি আদিৰ দৰে কৰ্মত আত্মনিয়োগ কৰে। পৰম্পৰাগতভাৱে দেশৰ বেছি সংখ্যক লোকেই কৃষি কাৰ্যৰ লগত জড়িত আৰু সেয়েহে ভাৰতৰ অৰ্থনীতি প্ৰধানকৈ কৃষি নির্ভৰশীল।

(চ) বৰ্ধিত নিবনুৱা সমস্যা : বৰ্ধিত নিবনুৱা সমস্যা ভাৰতীয় অৰ্থনীতিৰ আন এক বৈশিষ্ট্য।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

দেশৰ জনসংখ্যা বৃদ্ধিৰ লগে লগে স্বাভাৱিকতে কর্মক্ষম লোকৰ সংখ্যাও বৃদ্ধি হৈ থাকে। কিন্তু দেশৰ শিল্প, বাণিজ্য, ব্যৱসায়, যাতায়াত আদি ক্ষেত্রসমূহৰ বিকাশ সঠিক অনুপাতে নোহোৱাৰ বাবে সকলো কর্মক্ষম লোকে কর্মসংস্থাপন লাভ কৰিব পৰা নাই। ইয়াৰ ফলত দেশত নিবনুৱা সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰিছে আৰু অর্থনৈতিক বিকাশৰ বাধাৰ সৃষ্টি কৰিছে।

(ছ) পৰিকল্পনা ভিত্তিক উন্নয়ন : ১৯৫১ চনত গ্রহণ কৰা প্রধান পঞ্চবার্ষিক পৰিকল্পনাকে ধৰি যোৱা প্রায় ৬০ বছৰে অব্যাহত থকা পৰিকল্পনা ভিত্তিক উন্নয়নৰ প্রচেষ্টাই দেশৰ প্রগতিত যথেষ্ঠ অৰিহনা যোগায় আহিছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দেশৰ সামাজিক, শৈক্ষিক আৰু বিশেষকৈ অৰ্থনৈতিক সমস্যাসমূহ নিৰাময় কৰিবলৈ এই গ্ৰহণ কৰা হৈছে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২১। ভাৰতৰ কেন্দ্ৰীয় শাসিত অঞ্চল কেইটা কি কি?



Under CSR Support by
ipca | Foundation

কেন্দ্ৰীয়শাসিত অঞ্চল

ক্ৰমিক নং	ৰাজ্যৰ নাম	মাটিকালি (বৰ্গ কিলোমিটাৰ)	ৰাজধানী
১	আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ	৮,২৪৯	পৰ্ট ব্লেয়াৰ
২	চণ্ডীগড়	১১৪	চণ্ডীগড়
৩	*দিল্লী	১,৪৮৩	দিল্লী
৪	দাদ্ৰা আৰু নগৰ হাভেলী	৪৯১	ছিলভাছা
৫	ডমন আৰু ডিউ	১১২	ডমন
৬	লাক্ষাদ্বীপ	৩২	কাভাৰাট্টী
৭	পণ্ডিচেৰী	৪৭৯	পণ্ডিচেৰী
৮	জম্মু আৰু কাশ্মীৰ	2,22,236	শ্ৰী নগৰ (গ্ৰীষ্ম কালত জম্মু (শীত কালত)

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২২। ভাৰতৰ বৰ্তমান ৰাজ্য কেইখন আৰু কি কি নাম লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ভাৰতৰ বৰ্তমান ৰাজ্য ২৯ খন আৰু সেইবোৰ হ'ল - অন্ধ্ৰপ্ৰদেশ, অৰুণাচল প্ৰদেশ, অসম, বিহাৰ, চত্তিশগড়, গোৱা, গুজৰাট, হাৰিয়ানা, হিমাচল প্ৰদেশ, জম্মু আৰু কাশ্মীৰ, ঝাৰখণ্ড, কৰ্ণাটক, কেৰেলা, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ওড়িশা, পঞ্জাৰ, ৰাজস্থান, ছিকিম, তামিলনাড়ু, তেলেংগানা, ত্ৰিপুৰা, উওৰাখণ্ড, উত্তৰ প্ৰদেশ, পশ্চিমবংগ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২৩। ভাৰতৰ শেহতীয়াকৈ গঠন হোৱা ৰাজ্যখন কি? ইয়াৰ সৰ্বমুঠ মাটিকালি আৰু জনসংখ্যা কিমান?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ভাৰতৰ শেহতীয়াকৈ গঠন হোৱা ৰাজ্যখন হ'ল -তেলেংগানা । ইয়াৰ সৰ্বমুঠ মাটিকালি হ'ল – ১,১৪,৮৪০ বৰ্গ কি. মি. আৰু ইয়াৰ জনসংখ্যা ৩৫.১৯ মিলিয়ন ।

